ৰাজনীতি

ৰাহুলেৰে নহৈছে, ফিল্ডত নামিল ছোনিয়া-খার্গে! ষ্টেলিনক সাক্ষাৎ কৰিবলৈ চেন্নাইত উপস্থিত

সমষ্টি পুনর্নির্ধাৰণ বিধেয়কক ডিএমকেয়ে সমর্থন জনোৱাৰ পাছতে মিত্রজোঁটৰ মতভেদ দূৰ কৰিবলৈ এম কে ষ্টেলিনক সাক্ষাৎ কৰিবলৈ চেন্নাইত উপস্থিত হৈছে ছোনিয়া গান্ধী আৰু মল্লিকার্জুন খার্গে।

প্রকাশ: ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪১



Sonia, Kharge reached Chennai to meet Stalin

নতুন দিল্লী, ২৯ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণ আৰু মহিলা সংৰক্ষণ সম্পর্কীয় কেন্দ্রীয় চৰকাৰৰ প্রস্তাৱিত বিধেয়কক কেন্দ্র কৰি দেশৰ ৰাজনৈতিক মহলত তৎপৰতা বৃদ্ধি পাইছে। সংসদৰ বিশেষ অধিৱেশন আৰম্ভ হোৱাৰ ঠিক এদিন পূর্বে বিৰোধী 'ইণ্ডিয়া' মিত্রজোঁটৰ নেতাসকলে আভ্যন্তৰীণ মতভেদ দূৰ কৰাৰ চেষ্টা চলাইছে। প্রস্তাৱিত বিধেয়কখনক ডিএমকে দলে সমর্থন জনোৱাৰ সিদ্ধান্ত লোৱাৰ পিছতেই দেওবাৰে তামিলনাড়ুৰ মুখ্যমন্ত্রী তথা দলটোৰ সভাপতি এম কে ষ্টেলিনক সাক্ষাৎ কৰিবলৈ চেন্নাইত উপস্থিত হৈছে কংগ্রেছৰ জ্যেষ্ঠ নেত্রী ছোনিয়া

গান্ধী আৰু দলৰ সভাপতি মল্লিকার্জুন খার্গে। 'ইণ্ডিয়া' মিত্রজোঁটৰ এটা জ্যেষ্ঠ প্রতিনিধি দলেও ষ্টেলিনৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা। একেদৰে এনচিপি (এছপি)ৰ মুৰব্বী শৰদ পাৱাৰৰ সৈতেও আলোচনাৰ পৰিকল্পনা কৰা হৈছে। এই বিধেয়কখনক লৈ ডিএমকে আৰু এনচিপি (এছপি)ৰ স্থিতিৰ সম্ভাৱনাই বিৰোধী শিবিৰৰ ঐক্যৰ ক্ষেত্রত নতুন প্রশ্নৰ সৃষ্টি কৰিছে।

ইফালে মহাৰাষ্ট্র কংগ্রেছৰ নেতা বিজয় ৱাডেট্টিৱাৰে শৰদ পাৱাৰক 'বিশ্বাসঘাতক' আখ্যা দিয়াৰ বাবে ৰাজহুৱাভাৱে ক্ষমা বিচাৰিবলৈ সাজু বুলি তাৎপর্যপূর্ণ মন্তব্য কৰিছে। নাগপুৰত সাংবাদিকৰ আগত তেওঁ কয় যে পাৱাৰে যদি বিধেয়কখন সমর্থন নকৰে, তেন্তে তেওঁ পাৱাৰৰ ভৰিত মূৰ থৈ ৰাজহুৱাভাৱে ক্ষমা বিচাৰিব।

প্রধানমন্ত্রী নৰেন্দ্র মোদীয়েও দেওবাৰে মহিলা সংৰক্ষণৰ বিষয়ত বিৰোধী দলসমূহলৈ বার্তা প্রেৰণ কৰে। দলীয় স্বার্থক ৰাষ্ট্রীয় স্বার্থৰ ওপৰত স্থান দিলে মহিলা সৱলীকৰণ আৰু দেশৰ স্বার্থ বিঘ্নিত হ'ব বুলি উল্লেখ কৰি প্রধানমন্ত্রীয়ে 'নাৰী শক্তি বন্দন সংশোধনী'ক সময়ৰ আহ্বান আখ্যা দিয়ে আৰু সকলো দলকে ইয়াত সমর্থন জনাবলৈ আহ্বান জনায়।

আনহাতে, ৩০ নৱেম্বৰৰ পৰা ৩ ডিচেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া সংসদৰ বিশেষ অধিৱেশনৰ বাবে কংগ্রেছে নিজৰ সকলো লোকসভা সাংসদক উপস্থিত থাকিবলৈ হুইপ জাৰি কৰিছে। এই অধিৱেশনত কেন্দ্রীয় চৰকাৰে সংবিধানৰ ১৩২সংখ্যক সংশোধনী বিধেয়ক, ২০২৬ উত্থাপন কৰাৰ পৰিকল্পনা হাতত লৈছে।

প্রস্তাৱিত বিধেয়ক অনুসৰি লোকসভাৰ সর্বাধিক আসন সংখ্যা ৫৪৩ৰ পৰা ৮৫০লৈ বৃদ্ধি কৰাৰ কথা কোৱা হৈছে। ইয়াৰে সর্বাধিক ৮১৫জন ৰাজ্যসমূহৰ পৰা আৰু ৩৫জন সদস্য কেন্দ্রীয় শাসিত অঞ্চলসমূহৰ পৰা নির্বাচিত হোৱাৰ ব্যৱস্থা আছে। একেদৰে ৰাজ্যিক বিধানসভাসমূহৰ সর্বাধিক আসন সংখ্যা ৫০০ৰ পৰা ৬৫০লৈ বৃদ্ধিৰ প্রস্তাৱ ৰখা হৈছে, যাৰ জৰিয়তে সংসদ আৰু বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ কার্যকৰী কৰাৰ পথ মুকলি হ'ব বুলি কেন্দ্রীয় চৰকাৰে জনাইছে।

উল্লেখ্য যে চলিত বর্ষৰ এপ্রিল মাহত সমষ্টি পুনর্নির্ধাৰণ সম্পর্কীয় পূর্বৰ সংবিধান সংশোধনী বিধেয়কখন লোকসভাত প্রয়োজনীয় দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা লাভত ব্যর্থ হৈছিল। সেই সময়ত বিধেয়কখনৰ সপক্ষে ২৯৮জন আৰু বিপক্ষে ২৩০জন সাংসদে ভোট দিছিল।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7619/dmk-delimitation-bill-sonia-kharge-stalin